**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 29-12-2025** **Time : 1800 Hrs**

***Assamese Evening Bulletin***

---------------------------

## *Headlines*

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি নগাঁৱৰ বটদ্ৰৱাত সাংস্কৃতিক প্ৰকল্প উদ্বোধন কৰি জনসভাত অংশগ্ৰহণ।
২। গুৱাহাটী গৃহমন্ত্ৰীগৰাকীৰ আৰক্ষী আয়ুক্তালয় আৰু জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন।
৩। যাদৱ পায়েঙৰ মূলাই কাঠনিত অগ্নিসংযোগ কৰা ঘটনাৰ উচিত ক্ষতিপূৰণ দিয়া হ'ব বুলি বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ আশ্বাস।

**আৰু**

৪। হাটশিঙিমাৰীত ২৭ ডিচেম্বৰৰ পৰা অনুষ্ঠিত ৫৯ সংখ্যক আন্তঃজিলা জুনিয়ৰ ভলীবল চেম্পিয়নশ্বিপৰ আজি চূড়ান্ত খেল।

0000000

দিনজোৰা ভ্ৰমণসূচীৰে আজি অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প উদ্বোধন কৰে। গৃহমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৱিত্ৰ গুৰু আসনৰ প্ৰতিকৃতি, মুখা শিল্পৰ চানেকি, চেলেং আৰু পাটৰ গামোচাৰে আদৰণি জনায়। শ্ৰীশ্বাহে অনুষ্ঠানত দিয়া ভাষণত এই প্ৰকল্প উদ্বোধন কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ বাবে ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীমন্ত শংকৰদেৱৰ দৰে মহান ব্যক্তিত্ব ভাৰতত জন্মগ্ৰহণ কৰাটো সৌভাগ্যৰ কথা বুলিও তেওঁ প্ৰকাশ কৰে।

ৰাজ্য চৰকাৰে ১ লাখতকৈ অধিক দখলকাৰী লোকক উচ্ছেদ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে বিজেপি নেতৃত্বাধীন চৰকাৰে শাসন কৰা এই ১০টা বছৰ অসমৰ বাবে সোণালী সময়। ভাষণত শ্ৰীশ্বাহে লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু ছহিদ কনকলতা বৰুৱাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বিগত কেইটামান বছৰত অসম দেশৰ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলিও তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত কয় যে একাংশ লোকে দখল কৰি থকা ভূমি উচ্ছেদ কৰি বটদ্ৰৱা প্ৰকল্প নিৰ্মাণ কৰা হৈছে। ৰাজ্য চৰকাৰে এনেধৰণৰ অবৈধ দখলৰ বিৰুদ্ধে উচ্ছেদ অব্যাহত ৰাখিব বুলি তেওঁ উল্লেখ কৰে।

এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে ২২২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা বটদ্ৰৱা প্ৰকল্পত গুৰু আসন ভৱন, মণিকাঞ্চন নামঘৰ, দক্ষতা বিকাশ কেন্দ্ৰ, গৱেষণা কেন্দ্ৰ, কলা কেন্দ্ৰ, নাটঘৰ, দহটা জনগোষ্ঠীয় কুটিৰকে ধৰি বিভিন্ন ব্যৱস্থা ৰখা হৈছে। ফেব্ৰুৱাৰীৰ পৰা জনসাধাৰণৰ বাবে মুকলি হ'বলগীয়া এই প্ৰকল্প বিনামূলীয়াকৈ চাব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

গৃহমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱন আৰু স্বয়ংচালিত নগৰ নিৰীক্ষণ ব্যৱস্থা মুকলি কৰে। ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱনত ৪০০ গৰাকী বিষয়াৰ বাবে সু-ব্যৱস্থা থকাৰ উপৰি আৰক্ষীৰ সকলো শাখা সংযুক্ত কাৰ্যালয়, একত্ৰিত প্ৰমাণীকৰণ শাখা আদি আছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে এই নতুন ব্যৱস্থাই সুৰক্ষা নিৰাপত্তা, বহনক্ষমতা আৰু ৰাজহুৱা সুবিধা সুনিশ্চিত কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন সম্পৰ্কীয় এখন প্ৰদৰ্শনী মুকলি কৰাৰ উপৰি ৰাজ্যৰ প্ৰতিখন জিলা ভ্ৰমণ কৰিবলগীয়া ফৰেণচিক বাহনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। শ্ৰীশ্বাহে খানাপাৰাত নৱ-নিৰ্মিত ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰে। ৪৫ বিঘা এলেকাজুৰি ২৯১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, অত্যাধুনিক দৃশ্য-শ্ৰব্য ব্যৱস্থা, ডিজিটেল আন্তঃগাঁথনিকে ধৰি ভালেমান উন্নত মানৰ ব্যৱস্থা ৰখা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰেক্ষাগৃহতে জন্মগতভাৱে থকা হৃদৰোগৰ পৰা সুস্থ হোৱা এহেজাৰ শিশুৰ অভিবাদন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত তেওঁ অসম চৰকাৰৰ এই পদক্ষেপক প্ৰশংসা কৰে।

বাইট (অমিত শ্বাহ)

শ্ৰীশ্বাহে বৰাগাঁৱত নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ ৮৬০গৰাকী বীৰ শ্বহীদৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ স্মাৰক ক্ষেত্ৰত গছপুলিও ৰোপণ কৰে।

০০০০০০০

বিশিষ্ট প্ৰকৃতিপ্ৰেমী, অৰণ্য মানৱ হিচাপে খ্যাত যাদৱ পায়েঙৰ মূলাই কাঠনিত কালি দুৰ্বৃত্তই অগ্নিসংযোগ কৰা ঘটনাৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি ফোনযোগে বুজ লয়। মন্ত্ৰীগৰাকীয়ে শ্ৰীপায়েঙৰ কন্যাৰ সৈতে ফোনযোগে কথা পাতি সকলো বিষয় সন্দৰ্ভত অৱগত হোৱাৰ লগতে বন বিভাগ আৰু প্ৰশাসনে সাহায্য আগবঢ়াব বুলি আশ্বাস দিয়ে। উল্লেখযোগ্য যে যাদৱ পায়েঙৰ কন্যা মুন্মী পায়েং আৰু এটা ৭০জনীয়া দলৰ প্ৰচেষ্টাত ২০২২ চনৰ পৰা চাপৰিটোত গছপুলি ৰোপণৰ কাম আৰম্ভ হৈছিল। স্থানীয় যুৱক আৰু দৰ্শনাৰ্থীসকলে বহু সময় চেষ্টা চলাই অগ্নি নিৰ্বাপন কৰে যদিও ভালেসংখ্যক গছ-গছনি ভষ্মীভুত হয়। এই ঘটনা সন্দৰ্ভত শ্ৰীপায়েঙে এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

বাইট (যাদৱ পায়েং)

০০০০০

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰই বিশ্ববিদ্যালয়ৰ খনৰ অতিথিশালাৰ সন্মিলন কক্ষত Gift a childhood শীৰ্ষক এটা সমাজমুখী উদ্যোগ আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উদ্যোগৰ লক্ষ্য হৈছে অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ সমাজৰ দুৰ্বল আৰু অৱহেলিত শিশু সকলক হাঁহিৰ খোৰাক, সৃষ্টিশীলতা আৰু শিকাৰ সুযোগ বৃদ্ধি কৰা। এই উদ্যোগৰ জৰিয়তে নতুন অথবা আৰু পূৰ্বে ব্যৱহৃত খেলৰ সামগ্ৰী, শিশুগ্ৰন্থ, শিল্প সামগ্ৰী আৰু বাদ্য-যন্ত্ৰ সংগ্ৰহ কৰি শিশুসকলৰ মাজত বিতৰণ কৰা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ এই উদ্যোগৰ প্ৰতি আৰ্থিক বা অন্য ধৰণে সহায়-সহযোগিতা আগবঢ়াব বিচৰা ব্যক্তি বা প্ৰতিষ্ঠানসমূহক ৯১০১৩৬৮৮২১ বা ৬০০১২২৩২৫৯ নম্বৰত যোগাযোগ কৰিবলৈ কেন্দ্ৰটোৱে আহ্বান জনাইছে। এনেধৰণে লাভ কৰা সামগ্ৰীসমূহ সমাজকৰ্ম অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থী আৰু স্বেচ্ছাসেৱক সকলৰ দ্বাৰা স্বচ্ছ আৰু ন্যায় সংগত ভাৱে বাচনি আৰু বিতৰণ কৰা হ'ব।

০০০০০০০০০

শোণিতপুৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত আজি জিলা পৰামৰ্শদাতা সমিতি আৰু জিলা পৰ্য্যালোচনা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। বিগত চেপ্তেম্বৰ মাহত সমাপ্ত হোৱা ত্ৰৈমাষিকৰ বিভিন্ন বিত্তীয় খণ্ডৰ কাম-কাজৰ পৰ্য্যালোচনাৰ উদ্দেশ্যে আয়োজিত বৈঠকখনত জিলা উন্নয়ন আয়ুক্ত সঞ্জীৱ কুমাৰ শৰ্মাই সভাপতিত্ব কৰে। বৈঠকত জিলাখনৰ বেংক সমূহৰ জমা পুঁজি অগ্ৰিম ধনৰাশিকে ধৰি বিভিন্ন চৰকাৰী বিভাগৰ অধীনত ৰূপায়িত আঁচনি সমূহৰ স্থিতি সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০০০

দক্ষিণ শালামাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত ২৭ ডিচেম্বৰৰ পৰা অনুষ্ঠিত ৫৯ সংখ্যক আন্তঃজিলা জুনিয়ৰ ভলীবল চেম্পিয়নশ্বিপৰ ল'ৰাৰ শাখাত তেজপুৰ আৰু গহপুৰ দল ফাইনেলত প্ৰৱেশ কৰিছে। ছোৱালী শাখাত

ডিব্ৰুগড় আৰু শিৱসাগৰ দল ফাইনেলত অৱতীৰ্ণ হ'ব। আজি অনুষ্ঠিত ছেমি ফাইনেলত ল'ৰাৰ শাখাত দক্ষিণ কামৰূপ দলক পৰাস্ত কৰি গহপুৰে আৰু শালবাৰী দলক পৰাস্ত কৰি তেজপুৰে ফাইনেলত প্ৰবেশ কৰিছে। নিশা চাৰে ৮ বজাত ল'ৰা শাখাৰ চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব। আনহাতে, ছোৱালী শাখাত মৰিগাঁৱক পৰাস্ত কৰি ডিব্ৰুগড় দলে আৰু ধেমাজিক পৰাস্ত কৰি শিৱসাগৰ দলে ফাইনেলত তপ্ৰৱেশ কৰিছে। সন্ধিয়া চাৰে ৬ বজাত ছোৱালী শাখাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

000000000

শোণিতপুৰ জিলাৰ চতুৰ্থ মণ্ডলৰ অন্তৰ্গত ১৭ বছৰ অনুৰ্ধৰ চাহ জনজাতি আৰু আদিবাসী ফুটবল প্ৰতিযোগিতাত শোণিতপুৰ জিলা দলে বিশ্বনাথৰ দলক ৫-০ গলৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰিছে। তিনিদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতাখনত মণ্ডলটোৰ বিভিন্ন প্ৰান্তৰ উদীয়মান যুৱ ফুটবল খেলুৱৈৰ প্ৰতিনিধিত্বৰে শোণিতপুৰকে ধৰি ১০ টা দলে অংশগ্ৰহণ কৰিছিল। ফুটবল প্ৰতিযোগিতা খনৰ আজি সামৰণি অনুষ্ঠানত বৰছলা বিধান সভা সমষ্টিৰ বিধায়ক গণেশ লিম্বুয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিজয়ী দলটোক বঁটা প্ৰদান কৰে।

000000000

দেশত পানকাৰ্ড আৰু আধাৰকাৰ্ড সংযোগৰ বাবে অন্তিম সময়সীমা অহা ৩১ ডিচেম্বৰ ধাৰ্য কৰা হৈছে। নাগৰিকে কৰ আদায় দিয়াৰ সময়ত ব্যক্তিৰ আধাৰ আৰু পানকাৰ্ড সংলগ্ন কৰাটো বাধ্যতামূলক কৰা হৈছে। ২০২৪ চনৰ ১ অক্টোবৰতে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন কৰাৰ এটা নিৰ্দেশ জাৰি কৰা হৈছিল আৰু পাছত এই সময়সীমা ২০২৫ চনৰ ৩ এপ্ৰিললৈ পুনৰ বৃদ্ধি কৰা হৈছিল। ৩১ ডিচেম্বৰৰ পূৰ্বে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন নকৰিলে এহেজাৰ টকাকৈ জৰিমণা ভৰিব লাগিব, অন্যথা পানকাৰ্ডসমূহ নিষ্ক্ৰিয় কৰি দিয়া হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। এই সময়সীমাৰ ভিতৰত আধাৰ আৰু পান সংলগ্ন নকৰিলে ২০২৬ বৰ্ষৰ টিডিএছ্ আৰু টি চি এছ্ ধনৰাশি ঘূৰাই দিয়া নহ'ব।

0000000

**সমাপ্ত**